অধ্যায়-১

# ৰাজনৈতিক তত্ত্ব (Political Theory)
# এটি পৰিচয় (An Introduction)




Daily Assam


মানুহৰ দুটা বিশেষ বৈশিষ্ট্য আছে। প্ৰথমতে মানুহ যুক্তিশীল প্ৰাণী। দ্বিতীয়তে মানুহে তেওঁলোকৰ কাৰ্যত যুক্তি প্ৰতিফলিত কৰিব পাৰে। মানুহে ভাষাৰ ব্যৱহাৰ কৰি এজনে আন এজনৰ লগত যোগাযোগ কৰে। মানুহে অন্তৰৰ চিন্তা-ভাবনা আৰু আশা-আকাংক্ষা প্ৰকাশ কৰিব পাৰে। মানুহে ভাল আৰু বাঞ্ছনীয় বুলি বিবেচনা কৰা চিন্তা আৰু ধাৰণা ইজনে সিজনৰ লগত বিনিময় কৰি আলোচনা কৰে। সেইবাবেই মানুহ অন্যান্য প্ৰাণীতকৈ পৃথক। মানৱ জাতিৰ এই দুটা অনন্য স্বকীয় বৈশিষ্ট্যৰ মাজতে নিহিত হৈ আছে ৰাজনৈতিক তত্ত্বৰ শিপা। ৰাজনৈতিক তত্ত্বই কিছুমান মৌলিক প্ৰশ্ন বিশ্লেষণ কৰে। যেনে— সমাজ কেনেকৈ সংগঠিত কৰা উচিত? আমাক চৰকাৰ কিয় লাগে? কোনবিধ চৰকাৰ আটাইতকৈ উৎকৃষ্ট? আইনে আমাৰ স্বাধীনতা সীমিত কৰে নেকি? নাগৰিকৰ প্ৰতি ৰাষ্ট্ৰৰ কি কি দায়িত্ব আছে? নাগৰিক হিচাপে আমাৰ ইজনৰ সিজনৰ প্ৰতি দায়বদ্ধতা আছেনে? ইত্যাদি ইত্যাদি। ৰাজনৈতিক তত্ত্বই এইধৰণৰ প্ৰশ্নসমূহ পৰীক্ষা কৰে।

ৰাজনৈতিক তত্ত্বই ব্যক্তিৰ ৰাজনৈতিক জীৱন প্ৰভাৱিত কৰা প্ৰমূল্যৰ বিষয়ে পদ্ধতিগতভাৱে চিন্তা-চৰ্চা কৰে। উদাহৰণস্বৰূপে ৰাজনৈতিক তত্ত্বই স্বাধীনতা, সমতা আৰু ন্যায় ইত্যাদি প্ৰমূল্যৰ বিশ্লেষণ আগবঢ়ায়। এই প্ৰমূল্যসমূহৰ লগত সম্পৰ্ক থকা অন্যান্য অৱধাৰণাসমূহৰ অৰ্থ আৰু তাৎপৰ্যও ব্যাখ্যা কৰে। অতীত আৰু বৰ্তমানৰ ৰাজনৈতিক চিন্তাবিদে আগবঢ়োৱা ধাৰণাৰ আধাৰত এই প্ৰমূল্যসমূহৰ প্ৰচলিত সংজ্ঞাবোৰ পৰীক্ষা কৰে। ইয়াৰ উপৰি মানুহে দৈনন্দিন জীৱনত অংশগ্ৰহণ কৰা অনুষ্ঠানত (যেনে— বিদ্যালয়, চৰকাৰী কাৰ্যালয় ইত্যাদি) স্বাধীনতা আৰু সমতা বাস্তৱত উপস্থিত আছে নে নাই পৰ্যালোচনা কৰে। উচ্চ পৰ্যায়ত, ৰাজনৈতিক প্ৰমূল্য অথবা অৱধাৰণাসমূহৰ প্ৰচলিত সংজ্ঞাবোৰ উপযুক্ত হয় নে নহয় বিশ্লেষণ কৰে। প্ৰচলিত অনুষ্ঠান, যেনে— চৰকাৰ, আমোলাতন্ত্ৰ আৰু আঁচনিৰ পৰিৱৰ্তন সাধন কৰি আধিক গণতান্ত্ৰিকভাৱে গঢ় দিব পাৰি নেকি অনুসন্ধান কৰে। ৰাজনৈতিক প্ৰশ্নসমূহৰ বিষয়ে যুক্তিসংগতভাৱে চিন্তা কৰি বৰ্তমান সময়ৰ ৰাজনৈতিক ঘটনাৰ মূল্যায়ন কৰিবলৈ নাগৰিকসকলক উপযুক্ত জ্ঞান দিয়াটো ৰাজনৈতিক তত্ত্বৰ উদ্দেশ্য।

এইটো অধ্যায়ত আমি ৰাজনীতি, ৰাজনৈতিক তত্ত্বৰ অৰ্থ আৰু এইবোৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিম।

## 1.1 ৰাজনীতি কি ? (What is Politics?)

তোমালোকে নিশ্চয় লক্ষ্য কৰিছা যে ৰাজনীতি সম্পৰ্কে মানুহে ভিন্ ভিন্ ধাৰণা পোষণ কৰে। ৰাজনৈতিক নেতা আৰু যিবোৰ ব্যক্তিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু ৰাজনৈতিক পদত অধিষ্ঠিত ব্যক্তিসকলে ৰাজনীতিক এক প্ৰকাৰৰ জনসেৱা হিচাপে গণ্য কৰে। আন কিছুমানে ৰাজনীতিক ব্যক্তিৰ আশা-আকাংক্ষা আৰু স্বাৰ্থ পূৰণৰ এক কৌশলগত আহিলা আৰু অভিসন্ধি হিচাপে গণ্য কৰে। ৰাজনীতিবিদ সকলে যিবোৰ কাৰ্য কৰে, সেইবোৰকে কিছুসংখ্যক মানুহে ৰাজনীতি বুলি ভাবে উদাহৰণস্বৰূপে ৰাজনীতিবিদসকলৰ দলত্যাগ কাৰ্য, মিছা প্ৰতিশ্ৰুতি প্ৰদান কাৰ্য, আকাশলংঘী দাবী, বিভিন্ন শ্ৰেণীৰ মানুহক কৌশলেৰে পৰিচালনা বা নিয়ন্ত্ৰণ কৰা আৰু ব্যক্তি স্বাৰ্থ অথবা দলগত স্বাৰ্থ পূৰণ কৰা ইত্যাদি। আনকি, নিকৃষ্ট পৰ্যায়ত ৰাজনীতিক দুৰ্নীতি আৰু অপৰাধৰ সৈতে জড়িত কৰা দেখা যায়। সাম্প্ৰতিক সময়ত এই ধৰণৰ ধাৰণা আৰু বিশ্বাসে মানুহৰ মনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। যিকোনো উপায় অৱলম্বন কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰাটোকে মানুহে ৰাজনীতি বুলি ক'ব খোজে। এজন ক্ৰিকেট খেলুৱৈয়ে দলত অন্তৰ্ভুক্ত হ'বলৈ প্ৰয়োগ কৰা অপকৌশল, এজন ছাত্ৰই তেওঁৰ দেউতাকৰ পদমৰ্যাদা ব্যৱহাৰৰ চেষ্টা কৰা, এজন সহকৰ্মীয়ে কাৰ্যালয়ৰ মুৰব্বীৰ সৈতে অযুক্তিকৰভাৱে মিলা-মিছা কৰা কাৰ্যবোৰক আমি 'লেতেৰা' ৰাজনীতি বুলিয়ে বিবেচনা কৰিব পাৰো। এনেধৰণৰ স্বাৰ্থসিদ্ধি কৰা কাৰ্যত মোহভংগ হৈ মানুহে ৰাজনীতিৰ প্ৰতি অনীহা প্ৰদৰ্শন কৰি এইদৰে মন্তব্য আগবঢ়ায়— 'মই ৰাজনীতিৰ পৰা আঁতৰত থাকিব বিচাৰো।' সাধাৰণ মানুহৰ উপৰি যিসকল ব্যৱসায়ী আৰু উদ্যোগীয়ে ৰাজনৈতিক দলবোৰক পুঁজি যোগান ধৰি উপকৃত হৈছে, তেওঁলোকেও সঘনে ৰাজনীতিক দোষাৰোপ কৰে। চলচ্চিত্ৰ তাৰকাসকলেও ৰাজনীতিৰ প্ৰতি অভিযোগৰ মনোভাৱ প্ৰদৰ্শন কৰে যদিও ৰাজনীতিত যোগদান কৰাৰ পিছত তেওঁলোকক ৰাজনীতিৰ খেলত অভ্যস্ত হৈ পৰা দেখা গৈছে।



দি টাইমছ্ অব ইণ্ডিয়া কাকতত আৰ্ কে লক্ষ্মণৰ কাৰ্টুন

আপুনি এতিয়াই ৰাজনীতিৰ পৰা অৱসৰ লওক। আপোনাৰ কাৰ্যকলাপে ল'ৰাটোৰ ওপৰত বেয়া প্ৰভাব পেলায়। মিছা কথা আৰু প্ৰবঞ্চনাৰে হাত সাৰিব পাৰি বুলি সি ভাবিছে।

এইদৰে আমি ৰাজনীতিৰ এক সংঘাতপূৰ্ণ প্ৰতিচ্ছবি দেখা পাইছো। ৰাজনীতি এক অবাঞ্ছিত কাৰ্য নেকি যে আমি ইয়াৰ পৰা আঁতৰি অথবা হাত সাৰি থকা উচিত? নাইবা ই এক মূল্যৱান কাৰ্য নেকি যে আমি এখন সুন্দৰ সমাজ গঢ়িবৰ বাবে ৰাজনীতিত জড়িত হ'ম?

যিকোনো উপায়ে ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ এক আহিলা হিচাপে ৰাজনীতিক জড়িত কৰাটো দুৰ্ভাগ্যজনক। আমি উপলব্ধি কৰা উচিত যে ৰাজনীতি সমাজৰ এক অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ অংগ। মহাত্মা গান্ধীয়ে এবাৰ এনেদৰে মন্তব্য কৰিছিল যে ৰাজনীতিয়ে সাপৰ কুণ্ডলীৰ দৰে আমাৰ সকলোকে মেৰিয়াই ধৰি থাকে। সেইবাবে ৰাজনীতিৰ পৰা হাত সাৰি থকাৰ কোনো উপায় নাই। আমি ৰাজনীতিৰে সংগ্ৰাম কৰিব লাগিব। ৰাজনৈতিক অনুষ্ঠান আৰু সামূহিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া অবিহনে কোনো সমাজ বৰ্তি থাকিব নোৱাৰে। এখন সমাজ বৰ্তি থাকিবলৈ হ'লে সমাজৰ সদস্যসকলৰ প্ৰয়োজন আৰু স্বাৰ্থক অগ্ৰাধিকাৰ দিব লাগিব। জনসাধাৰণৰ প্ৰয়োজন আৰু আশা-আকাংক্ষা পৰিপূৰ্ণ কৰিবলৈ সমাজত বহুতো সামাজিক অনুষ্ঠান গঢ় লৈ উঠে। উদাহৰণস্বৰূপে পৰিয়াল, বেংক, বজাৰ, জাতি-জনজাতি ইত্যাদি। এই সামাজিক অনুষ্ঠানসমূহে জনসাধাৰণক মিলিজুলি বসবাস কৰিবলৈ উদগনি দিয়ে। লগতে সমাজত মানুহৰ এজনে আন এজনৰ প্ৰতি পাৰস্পৰিক বাধ্যতাবোধক স্বীকৃতি দিয়ে। এই ধৰণৰ অনুষ্ঠানসমূহৰ ভিতৰত চৰকাৰ অন্যতম, যিয়ে সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনীতিৰ গুৰুত্বপূৰ্ণ দিশ হ'ল চৰকাৰ কেনেকৈ গঠন কৰা হয় আৰু চৰকাৰে কিদৰে কাৰ্য পালন কৰে।

> বাতৰিকাকত পঢ়াহঁ কোনবোৰ বিষয়ে বাতৰিকাকতৰ হেড্‌লাইন দখল কৰে? তোমাৰ মতে সেই বিষয়বোৰৰ প্ৰাসংগিকতা আছেনে?

ৰাজনীতি কেৱল চৰকাৰৰ কাৰ্য্যকলাপতে সীমাবদ্ধ নাথাকে। দৰাচলতে চৰকাৰৰ কাৰ্যবোৰে জনসাধাৰণৰ জীৱন বিভিন্ন ধৰণে প্ৰভাৱান্বিত কৰে। সেইবাবে চৰকাৰে যি কাৰ্য কৰে সেইবোৰ প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ। চৰকাৰে অৰ্থনৈতিক, শৈক্ষিক আৰু বৈদেশিক নীতি নিৰ্ধাৰণ কৰে। চৰকাৰৰ নীতি বা কাৰ্যই জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাত সহায় কৰে। অৱশ্যে চৰকাৰ যদি অদক্ষ আৰু দুনীৰ্তিপৰায়ণ হয়, জনসাধাৰণৰ জীৱন আৰু নিৰাপত্তা বিঘ্নিত হয়। ক্ষমতাত থকা চৰকাৰখনে যদি সমাজত সংঘটিত বিৰোধ অথবা সংঘাত নিয়ন্ত্ৰণ নকৰি হিংসাত্মক পৰিস্থিতি সৃষ্টি হ'বলৈ এৰি দিয়ে, তেতিয়া

জনসাধাৰণৰ জীৱন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। এনে এক পৰিস্থিতিত মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰে। দোকান-পোহাৰ, বজাৰ, বিদ্যালয়, কাৰ্যালয় ইত্যাদি বন্ধ হৈ যায়। ফলত আমাৰ দৈনন্দিন জীৱনৰ বাবে অতি প্ৰয়োজনীয় সামগ্ৰী কিনিব নোৱাৰো, ৰোগীক চিকিৎসালয়লৈ লৈ যাব নোৱাৰো। বিদ্যালয়ৰ নিয়মীয়া পাঠদান বাধাগ্ৰস্ত হয়, সময় মতে পাঠ্যক্ৰম সম্পূৰ্ণ নহয়। সেইবাবে অতিৰিক্ত মাচুল দি ব্যক্তিগত টিউচন ল'ব লগা হয়। আনহাতে, চৰকাৰে যদি উপযুক্ত আঁচনি গ্ৰহণ কৰি সাক্ষৰতা আৰু নিয়োগ বৃদ্ধি কৰে, তেতিয়া আমি ভাল শিক্ষানুষ্ঠানত পঢ়াৰ আৰু সন্তোষজনক কৰ্মসংস্থান পোৱাৰ সুযোগ পাব পাৰো।

চৰকাৰৰ কাৰ্যই আমাক গভীৰভাৱে প্ৰভাৱান্বিত কৰে। সেইবাবে চৰকাৰৰ কাৰ্যকলাপত আমি সক্ৰিয়ভাৱে মনোযোগ দিওঁ। আমি সংস্থা গঠন কৰি চৰকাৰৰ ওচৰত সংগঠিতভাৱে বিভিন্ন দাবী উত্থাপন কৰো। আমি ইজনে সিজনৰ লগত আলোচনা কৰো আৰু চৰকাৰে গ্ৰহণ কৰিব লগা নিৰ্দিষ্ট লক্ষ্য নিৰ্মাণৰ প্ৰয়াস কৰো। চৰকাৰৰ নীতিৰ সৈতে যদি আমি একমত নহওঁ, তেতিয়া আমি প্ৰতিবাদ কৰোঁ, ধৰ্ণা দিওঁ। প্ৰচলিত নীতি পৰিৱৰ্তনৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাওঁ। আমি আমাৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ কাৰ্যকলাপ পৰ্যালোচনা কৰো আৰু দুৰ্নীতি বৃদ্ধি নে হ্ৰাস হৈছে আলোচনা কৰো। আমি কিছুমান প্ৰশ্ন কৰো। যেনে— দুৰ্নীতি নিঃশেষ কৰিব পাৰিনে? কিছুমান সম্প্ৰদায়ৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ প্ৰচলন থকাটো উচিত হয়নে নহয়? কিছুমান ৰাজনৈতিক দল বা নেতা নিৰ্বাচনত কিয় জয়ী হয়, তাৰ কাৰণ আমি জানিবলৈ চেষ্টা কৰো। সমাজত সংঘটিত ব্যাপক বিশৃংখলতা আৰু পতনৰ কাৰণসমূহ আমি যুক্তিনিষ্ঠভাৱে বিশ্লেষণ কৰোঁ। এইদৰে আমি এখন ভাল আৰু উন্নত সমাজ গঢ়াৰ আশা কৰো।

> আমি কৰো আহা ঃ
> ৰাজনীতিয়ে আমাৰ দৈনন্দিন জীৱন কেনেদৰে প্ৰভাৱিত কৰে? তোমাৰ জীৱনৰ এটা দিনৰ ঘটনা বিশ্লেষণ কৰা।

চমুকৈ ক'বলৈ হ'লে, সমাজৰ বাবে কি ন্যায্য আৰু বাঞ্চিত, এই সম্পৰ্কে আমাৰ মাজত থকা বিভিন্ন দৃষ্টিভংগীৰ পৰাই ৰাজনীতিৰ আৰম্ভণি হয়। ৰাজনীতিত বহুতো ধৰণৰ আলোচনা আৰু বিতৰ্কৰ মাধ্যমত সমাজত সামূহিক সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজনীতিৰ এটা পৰ্যায়ত জনসাধাৰণৰ আশা-আকাংক্ষা আৰু চৰকাৰৰ কাৰ্যৰ মাজৰ সম্পৰ্ক জড়িত থাকে। আনটো পৰ্যায়ত, জনসাধাৰণে কেনেকৈ সংগ্ৰাম কৰে আৰু চৰকাৰৰ সিদ্ধান্ত প্ৰভাৱান্বিত কৰে সেয়া

> "আলোচনা কৰো আহা ঃ"
>
> ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ কৰা উচিতনে?

জড়িত থাকে। গতিকে, জনসাধাৰণে পাৰস্পৰিক আলোচনা আৰু বিতৰ্কৰ মাধ্যমত এক সামূহিক প্ৰচেষ্টাৰে সমাজৰ বিকাশ সাধন আৰু সমস্যা সমাধানত ব্ৰতী হোৱা কাৰ্যকে ৰাজনৈতিক কাৰ্য বুলি ক'ব পাৰি।

**1.2 ৰাজনৈতিক তত্ত্বত আমি কি কি অধ্যয়ন কৰিম? (WHAT DO WE STUDY IN POLITICAL THEORY)**

আমাৰ চৌপাশৰ পৰিস্থিতি লক্ষ্য কৰিলে আমি বিকাশ, পৰিৱৰ্তন আৰু আন্দোলন ইত্যাদি ঘটনাবোৰ দেখা পাওঁ। কিন্তু আমি গভীৰভাৱে পৰ্যবেক্ষণ কৰিলে জানিব পাৰো যে কিছুমান নিৰ্দিষ্ট নীতি আৰু মূল্যবোধে জনসাধাৰণক অনুপ্ৰাণিত কৰে আৰু আঁচনি প্ৰভাৱিত কৰে। উদাহৰণস্বৰূপে গণতন্ত্ৰ, স্বাধীনতা, সমতা ইত্যাদি। বিভিন্ন ৰাষ্ট্ৰই এই মূল্যবোধসমূহ সংবিধানত সন্নিৱিষ্ট কৰি সংৰক্ষণৰ চেষ্টা কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতবৰ্ষৰ সংবিধানত এইধৰণৰ মূল্যবোধ সন্নিৱিষ্ট কৰা হৈছে।

সংবিধান নিশাটোৰ ভিতৰতে গঢ়ি নুঠে। প্ৰাচীন কালৰ কৌটিল্য, এৰিষ্টটলৰ পৰা আধুনিক কালৰ জ্যাঁ জ্যাক ৰুছো, কাৰ্ল মাৰ্ক্স, মহাত্মা গান্ধী আৰু ড° বি আৰ আম্বেদকাৰ ইত্যাদি মহান চিন্তাবিদসকলে সমৰ্থন কৰা আদৰ্শ আৰু নীতিৰ ভিত্তিত সংবিধান গঢ়ি উঠে। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাতে প্লেটো আৰু এৰিষ্টটলে তেওঁলোকৰ ছাত্ৰৰ সৈতে ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ ভাল আৰু বেয়া দিশবোৰ আলোচনা কৰিছিল। আধুনিক সময়ত, ৰুছোৱে পোনপ্ৰথমে স্বাধীনতা মানৱ জাতিৰ এক মৌলিক অধিকাৰ বুলি যুক্তি দৰ্শাইছিল। স্বাধীনতাৰ দৰে সমতাৰ অধিকাৰো গুৰুত্বপূৰ্ণ বুলি কাৰ্ল মাৰ্ক্সে যুক্তি দিছিল। আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে 'হিন্দ স্বৰাজ'ত প্ৰকৃত স্বাধীনতা বা স্বৰাজৰ বিষয়ে আলোচনা কৰিছিল। ড° বি আৰ আম্বেদকাৰে অনুসূচিত জাতিৰ লোকসকলৰ বাবে বিশেষ সাংবিধানিক সুৰক্ষা ব্যৱস্থাৰ সমৰ্থন কৰিছিল। এই আদৰ্শসমূহে ভাৰতীয় সংবিধানত গুৰুত্বপূৰ্ণ স্থান পাইছে। আমাৰ সংবিধানৰ প্ৰস্তাৱনাত স্বাধীনতা আৰু সমতাৰ আদৰ্শ সন্নিৱিষ্ট কৰা আছে। সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক

> এইটো অধ্যায়ত উল্লেখিত যিকোনো এজন ৰাজনৈতিক চিন্তাবিদৰ বিষয়ে এটি চমু টোকা লিখা। (৫০টা শব্দৰ ভিতৰত)

অধিকাৰৰ বিষয়ে উল্লেখ আছে। ইয়াৰ জৰিয়তে যিকোনো ধৰণৰ অস্পৃশ্যতা নিষেধ কৰা হৈছে। নিৰ্দেশাত্মক নীতিত গান্ধীবাদী আদৰ্শই স্থান পাইছে।

ৰাজনৈতিক তত্ত্বই সংবিধান, চৰকাৰ আৰু সামাজিক ৰাজনৈতিক জীৱন নিৰ্ধাৰিত কৰা আদৰ্শ আৰু নীতি প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে। ইয়ে সমতা, ন্যায়, স্বাধীনতা, গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা ইত্যাদি অৱধাৰণাসমূহৰ অৰ্থ ব্যাখ্যা কৰে। আইনৰ শাসন, ক্ষমতাৰ পৃথকীকৰণ, ন্যায়িক সমীক্ষা ইত্যাদি নীতিসমূহৰ তাৎপৰ্য ৰাজনৈতিক তত্ত্বই বিচাৰ কৰে। বিভিন্ন ৰাজনৈতিক চিন্তাবিদে এই ধৰণৰ আদৰ্শৰ আগবঢ়োৱা যুক্তিবোৰ ৰাজনৈতিক তত্ত্বই পৰীক্ষা কৰে। যদি ৰুছো, মাৰ্ক্স আৰু গান্ধী ৰাজনীতিবিদ হোৱা নাছিল, তেওঁলোকৰ আদৰ্শই সমগ্ৰ বিশ্বতে যুগ যুগ ধৰি ৰাজনীতিবিদসকলক অনুপ্ৰেৰণা দি আহিছে। আমাৰ সমাসাময়িক চিন্তাবিদসকলেও স্বাধীনতা অথবা গণতন্ত্ৰ সমৰ্থন কৰিবলৈ এই চিন্তাবিদসকলৰ আদৰ্শৰ পৰাই প্ৰেৰণা পাইছে। ইয়াৰ উপৰি, ৰাজনৈতিক তত্ত্ববিদসকলে আমাৰ সাম্প্ৰতিক ৰাজনৈতিক অভিজ্ঞতা পৰ্যবেক্ষণ কৰি ভৱিষ্যতৰ ৰাজনৈতিক প্ৰৱণতা আৰু সম্ভাৱনা প্ৰতিফলন কৰে।

তলত উল্লেখ কৰা প্ৰতিটো উক্তি বা পৰিস্থিতিত ব্যৱহৃত ৰাজনৈতিক নীতি আৰু মূল্যবোধ তুমি চিনাক্ত কৰিব পাৰিবানে ঃ

(ক) বিদ্যালয়ত মই কোনটো বিষয় অধ্যয়ন কৰিম সেইটো মই নিজে সিদ্ধান্ত কৰা উচিত।
(খ) অস্পৃশ্যতা প্ৰথা নিষেধ কৰা হৈছে।
(গ) সকলো ভাৰতীয়ই আইনৰ চকুত সমান।
(ঘ) সংখ্যালঘুসকলে নিজৰ বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন কৰিব পাৰে।
(ঙ) ফুৰিবলৈ অহা বিদেশীসকলে ভাৰতৰ নিৰ্বাচনত ভোট দিব নোৱাৰে।
(চ) প্ৰচাৰ মাধ্যম আৰু চিনেমাত কোনো ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰিব নালাগে।
(ছ) বিদ্যালয়ৰ বাৰ্ষিক সভাৰ কাৰ্যসূচী প্ৰস্তুতকৰণত ছাত্ৰ-ছাত্ৰীসকলৰ লগত আলোচনা কৰিব লাগে।
(জ) গণৰাজ্য দিৱস উদ্‌যাপনত সকলোৱে অংশগ্ৰহণ কৰিব লাগে।

কিন্তু এই সকলোবোৰ আমাৰ বাবে এতিয়াও প্ৰাসংগিক হয়নে? আমি ইতিমধ্যে স্বাধীনতা আৰু গণতন্ত্ৰ লাভ কৰা নাইনে? স্বাধীনতা অৰ্জন কৰাৰ পিছতো ভাৰতবৰ্ষত সমতা আৰু স্বাধীনতা সম্পৰ্কে প্ৰশ্ন উত্থাপন হ'বলৈ এৰা নাই। কাৰণ, আমাৰ সামাজিক

জীৱনৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতা, সমতা আৰু গণতন্ত্ৰৰ সমস্যা সৃষ্টি হৈছে। স্বাধীনতা, সমতা আৰু গণতন্ত্ৰ সমাজৰ সকলো স্তৰতে সমানভাৱে প্ৰয়োগ হোৱা নাই। উদাহৰণস্বৰূপে, যদিও ৰাজনৈতিক ক্ষেত্ৰত সমঅধিকাৰ প্ৰতিষ্ঠা হৈছে তথাপি অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত এতিয়াও সম-অধিকাৰ প্ৰতিষ্ঠা হোৱা নাই। জনসাধাৰণে ৰাজনৈতিক অধিকাৰ উপভোগ কৰিবলৈ সক্ষম হৈছে। কিন্তু জাতি প্ৰথা আৰু দৰিদ্ৰতাৰ বাবে এতিয়াও সামাজিক বৈষম্য অব্যাহত আছে। সমাজত কিছুমান মানুহে উচ্চস্থান দখল কৰি বিশেষ সুবিধা ভোগ কৰিব পাৰিছে। আনহাতে আন কিছুমান মানুহে জীৱনৰ ন্যূনতম প্ৰাথমিক প্ৰয়োজনীয়তাখিনিৰ পৰাও বঞ্চিত হৈ আছে। কিছুমান মানুহে সকলোধৰণৰ লক্ষ্য আহৰণ কৰিবলৈ সক্ষম হৈছে। কিন্তু বহুত এনেকুৱা ল'ৰা-ছোৱালী আছে। যিসকলে বিদ্যালয়লৈ যাব পৰা নাই। তেওঁলোক অশিক্ষিত হৈয়ে আছে আৰু ভাল কৰ্মসংস্থানৰ পৰা বঞ্চিত হৈছে। সেয়েহে, তেওঁলোকৰ বাবে স্বাধীনতা এক অলীক কল্পনা। যদিও, ভাৰতীয় সংবিধানে স্বাধীনতাৰ সুৰক্ষা প্ৰদান কৰিছে, আমি সকলো সময়তে স্বাধীনতাৰ নতুন ব্যাখ্যাৰ মুখামুখি হওঁ। এইটো এখন খেল খেলাৰ নিচিনা কথা। আমি যেতিয়া দবা অথবা ক্ৰিকেট খেলো, তেতিয়া আমি খেলৰ নিয়মবোৰ ব্যাখ্যা কৰিবলৈ শিকো। সেইদৰে পৰিৱৰ্তিত অথবা নতুন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমাৰ সংবিধানপ্ৰদত্ত অধিকাৰসমূহ নতুনকৈ ব্যাখ্যা কৰা হৈছে। উদাহৰণস্বৰূপে, ন্যায়ালয়ে জীৱনৰ অধিকাৰ ব্যাখ্যা কৰি ইয়াৰ লগত জীৱিকা অৰ্জনৰ অধিকাৰ অন্তৰ্ভুক্ত কৰিছে। নতুন আইন প্ৰণয়নৰ জৰিয়তে তথ্য জনাৰ অধিকাৰ প্ৰদান কৰা হৈছে। সমাজত প্ৰায়েই নতুন নতুন প্ৰত্যাহ্বান আহিছে। ফলত নতুন ধৰণৰ ব্যাখ্যাৰ উদ্ভৱ হৈছে। এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ মৌলিক অধিকাৰৰ সংশোধন কৰা হৈছে। ন্যায়িক ব্যাখ্যা আৰু চৰকাৰী আচনিৰ জৰিয়তে অধিকাৰবোৰৰ পৰিধি প্ৰসাৰিত হৈছে।

সমাজ পৰিৱৰ্তনৰ লগে লগে স্বাধীনতাৰ নতুন দিশ উন্মোচিত হৈছে। একেদৰে স্বাধীনতাৰ প্ৰতি নতুন নতুন ভাবুকি সৃষ্টি হৈছে। যোগাযোগ প্ৰযুক্তিৰ বিকাশ আৰু সম্প্ৰসাৰণে বিশ্বব্যাপি যোগাযোগ স্থাপন প্ৰক্ৰিয়া সহজ কৰি তুলিছে। ফলত সমাজকৰ্মীসকলে পৃথিৱীৰ চাৰিওফালে মতামত বিনিময় কৰি নিজৰ নিজৰ সংস্কৃতি

আৰু অধিকাৰ সুৰক্ষাৰ বাবে প্ৰচেষ্টা চলাব পাৰিছে। এইখিনিতে এটা চিন্তাজনক কথা হ'ল যে সন্ত্ৰাসবাদী আৰু অপৰাধীসকলেও এই যোগাযোগ প্ৰযুক্তি ব্যৱহাৰ কৰিববলৈ সক্ষম হৈছে। তদুপৰি ইণ্টাৰনেটৰ জৰিয়তে ব্যৱসায়িক লেন-দেন আৰম্ভ হৈছে। গতিকে, যিবোৰ তথ্য ইণ্টাৰনেটত প্ৰয়োগ কৰি আমি ব্যৱসায়িক লেনদেন অথবা বস্তু ক্ৰয়-বিক্ৰয় কৰোঁ, সেইবোৰ ৰক্ষণাবেক্ষণ দিব লাগিব। যদিও ইণ্টাৰনেট ব্যৱহাৰ কৰা নাগৰিকে চৰকাৰী নিয়ন্ত্ৰণ পছন্দ নকৰে, তথাপি ব্যক্তিগত গোপনীয়তা আৰু নিৰাপত্তা সুৰক্ষাৰ প্ৰয়োজনত তেওঁলোকে কিছু পৰিমাণে চৰকাৰী নিয়ন্ত্ৰণ সমৰ্থন কৰিছে। ইয়াৰ ফলত, ইণ্টাৰনেট ব্যৱহাৰ কৰা নাগৰিকসকলক কিমান পৰিমাণৰ স্বাধীনতা প্ৰদান কৰা উচিত, এই সম্পৰ্কে প্ৰশ্ন উত্থাপন হৈছে। উদাহৰণস্বৰূপে, অপৰিচিত ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে অপ্ৰয়োজনীয়ভাৱে ই-মেইল প্ৰেৰণৰ অনুমতি দিয়া উচিতনে? চাট্ ৰুমৰ জৰিয়তে কোনো উৎপাদিত বস্তুৰ বিজ্ঞাপন দিব পাৰিনে? সন্ত্ৰাসবাদীসকলৰ শুং-সূত্ৰ বিচাৰি উলিয়াবলৈ চৰকাৰক ব্যক্তিগত ই-মেইল পঢ়িবলৈ দিয়া উচিত নে? কিমান পৰিমাণৰ নিয়ন্ত্ৰণ ন্যায়সংগত বুলিব পাৰি? কোনটো কৰ্তৃপক্ষই নিয়ন্ত্ৰণ কৰা উচিত? চৰকাৰী নে বেচৰকাৰী? ৰাজনৈতিক তত্ত্বই আমাক এইবোৰ প্ৰশ্নৰ যথাযথ উত্তৰ দিব পাৰে আৰু সেইবাবেই ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ।

**আমি কৰো আহা ঃ**

বিভিন্ন বাতৰিকাকত আৰু আলোচনীৰ পৰা কাৰ্টুন সংগ্ৰহ কৰা। কি কি বিষয় বা সমস্যাৰ সৈতে কাৰ্টুনবোৰৰ সম্বন্ধ আছে? সেইবোৰে কোনবোৰ ৰাজনৈতিক ধাৰণা প্ৰতিফলিত কৰে?

## 1.3 ৰাজনৈতিক তত্ত্বৰ প্ৰয়োগ (Putting Political Theory to Practice) ঃ

এইখন পাঠ্যপুথিত আমি ৰাজনৈতিক তত্ত্বৰ মাত্ৰ এটা দিশৰ আলোচনাতে সীমাবদ্ধ থাকিম। আমি কিছুমান সুপৰিচিত ৰাজনৈতিক ধাৰণা যেনে— স্বাধীনতা, সমতা, নাগৰিকত্ব, ন্যায়, বিকাশ, জাতীয়তাবাদ, ধৰ্মনিৰপেক্ষতা ইত্যাদিৰ উৎপত্তি, অৰ্থ আৰু তাৎপৰ্যৰ বিষয়ে আলোচনা কৰিম। যেতিয়া আমি কোনো এটা বিষয়ত তৰ্ক বা যুক্তি আৰম্ভ কৰো, তেতিয়া আমি এইদৰে প্ৰশ্ন কৰো— ইয়াৰ অৰ্থ কি? আৰু ই

কেনেকৈ হ'ল? ৰাজনৈতিক তত্ত্ববিদসকলে স্বাধীনতা বা সমতা মানে কি বুলি প্ৰশ্ন কৰি বিভিন্ন সংজ্ঞা আগবঢ়াইছে। আমি স্বাধীনতা বা সমতাৰ বিষয়ে বহুতো সংজ্ঞাৰ মুখামুখি হওঁ। কিন্তু এটা ত্ৰিভুজ বা চতুৰ্ভুজৰ বিষয়ে গণিতত মাত্ৰ এটা সংজ্ঞা পাব পাৰি। কাৰণ স্বাধীনতা বা সমতা আদি ধাৰণাবোৰ মানৱ সম্পৰ্কৰ সৈতে জড়িত, কোনো বস্তুৰ সৈতে নহয়। সমতা বা স্বাধীনতা আদিৰ বিষয়ে মানুহৰ বিভিন্ন মতামত থাকে আৰু এই মতামতসমূহৰ সম্যক জ্ঞান লাভ কৰি সেইবোৰৰ মাজত সমন্বয় সাধন কৰা প্ৰয়োজন। এইটো কেনেকৈ সম্ভৱ হ'ব?

এতিয়া বিভিন্ন স্থানত সমতাৰ গতানুগতিক অভিজ্ঞতা আলোচনা কৰো আহা। চৰকাৰী কাৰ্যালয়, দোকান অথবা হস্পিতালত মানুহে শাৰী পাতি থকা আমি প্ৰত্যক্ষ কৰোঁ। কিন্তু কিছুমান মানুহে প্ৰায়ে শাৰী ভংগ কৰি আগত থিয় দিয়ে। অৱশ্যে কেতিয়াবা তেওঁলোকক শাৰীৰ পিছত থিয় দিবলৈ কোৱা হয়। তেতিয়া আমি আনন্দিত হওঁ। আনহাতে যেতিয়া তেওঁলোকে শাৰী নাপাতি আগত থিয় দিয়ে, তেতিয়া আমাক প্ৰৱঞ্চনা কৰা যেন ভাব হয়। এই কাৰ্যক আমি গৰিহণা জনাওঁ কাৰণ আমি সকলোৰে সমান সুযোগ-সুবিধা বিচাৰো। গতিকে অভিজ্ঞতা বিশ্লেষণ কৰি আমি সমতা মানে সকলোৰে সমান সুযোগ-সুবিধা আৰু সেৱা লাভ কৰা বুজো। একে সময়তে, বৃদ্ধ অথবা শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ বাবে পৃথক কাউণ্টাৰৰ ব্যৱস্থা কৰাটো আমি ন্যায়সংগত বুলি বিবেচনা কৰো।

প্ৰতিদিনে আমি লক্ষ্য কৰিছো যে বহুতো দুখীয়া মানুহে দোকানলৈ অথবা চিকিৎসকৰ ওচৰলৈ যাব নোৱাৰে। এইবোৰৰ ভিতৰত শিল ভঙা অথবা ইটা কঢ়িওৱা শ্ৰমিকসকলো আছে। তেওঁলোকৰ হাতত বস্তু কিনিবলৈ অথবা সেৱা লাভ কৰিবলৈ টকা নাই। যদি আমি সংবেদনশীল হওঁ, এইটো আমি অন্যায় বুলি ভাবো। কাৰণ সমাজত কিছুমান মানুহে জীৱন নিৰ্বাহৰ ন্যূনতম প্ৰয়োজনীয়তাখিনি লাভ কৰিব পৰা নাই। গতিকে মানুহক যাতে অৰ্থনৈতিক কাৰণত অন্যায়ভাৱে শোষণ আৰু বঞ্চিত কৰিব নোৱাৰে, তাৰ বাবে সমতাৰ সৈতে ন্যায্যতাক জড়িত কৰা প্ৰয়োজন।

এনে বহুত শিশু আছে যিসকলে স্কুললৈ যাব নোৱাৰে। কাৰণ তেওঁলোকে নিজে কাম কৰি খাব লাগে। আনহাতে দুখীয়া ঘৰৰ ছোৱালীবোৰক আধাতে স্কুললৈ যোৱা বন্ধ কৰি দিয়া হয়। কাৰণ অভিভাৱকে কাম কৰিবলৈ গ'লে ছোৱালীবোৰে

# রাজনৈতিক তত্ত্ব ঃ পৰিচয়

*প্ৰাচীন গ্ৰীচৰ এথেন্স চহৰত চক্ৰেটিছক এজন অতি জ্ঞানী ব্যক্তি বুলি কোৱা হৈছিল। সমাজ, ৰাজনীতি আৰু ধৰ্মৰ বিষয়ে প্ৰচলিত জনপ্ৰিয় বিশ্বাসক প্ৰত্যাহ্বান জনাই প্ৰশ্ন উত্থাপন কৰাৰ বাবে তেওঁ বিশেষভাৱে জনাজাত হৈ পৰিছিল। এইটো কাৰণতে এথেন্সৰ শাসকে তেওঁক মৃত্যুদণ্ড দিছিল।*

*প্লেটো তেওঁৰ শিষ্য আছিল। প্লেটোৱে চক্ৰেটিছৰ জীৱন আৰু দৰ্শনৰ বিষয়ে বিস্তৃতভাৱে লিখিছিল। প্লেটোৱে 'দি-ৰিপাব্লিক' (The Republic) নামৰ গ্ৰন্থত চক্ৰেটিছৰ চৰিত্ৰটো দাঙি ধৰি ন্যায় মানেনো কি তাৰ উত্তৰ বিচাৰিবৰ যত্ন কৰিছিল।*

*চক্ৰেটিছ আৰু কেফালুচৰ মাজত কথোপকথনেৰে প্লেটোৰ 'দি-ৰিপাব্লিক' (The Republic) গ্ৰন্থখন আৰম্ভ হৈছে। কেফালুচ আৰু তেওঁৰ বন্ধুবৰ্গই এই কথোপকথনৰ জৰিয়তে তেওঁলোকৰ ন্যায়ৰ ধাৰণা যে অনুপযুক্ত আৰু অগ্ৰহণযোগ্য, সেইটো উপলব্ধি কৰিছিল।*

*গুৰুত্বপূৰ্ণ কথাটো এই যে চক্ৰেটিছে যুক্তি প্ৰয়োগৰ জৰিয়তে কোনো এটা প্ৰচলিত বিশ্বাস বা দৃষ্টিভংগীৰ সীমাবদ্ধতা আৰু বিসংগতি উদঙাই দিছিল। চক্ৰেটিছৰ শত্ৰুসকলেও তেওঁৰ যুক্তি খণ্ডন কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশেষত চক্ৰেটিছৰ যুক্তি মানি লৈ তেওঁৰ শত্ৰুসকলে নিজৰ মত বা দৃষ্টিভংগী পৰিহাৰ কৰিছিল।*

---

সৰু ভাই-ভনীৰ যতন ল'ব লাগে। ভাৰতীয় সংবিধানে যদিও প্ৰাথমিক শিক্ষাৰ অধিকাৰ সকলোকে প্ৰদান কৰিছে, তথাপি এই অধিকাৰ এক আনুষ্ঠানিকতাতহে পৰিণত হৈছে। এনেধৰণৰ শিশু আৰু অভিভাৱকসকলৰ বাবে চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত, যাতে সকলো শিশুৱে স্কুললৈ যাব পাৰে।

এইদৰে দেখা যায় যে সমতাৰ ধাৰণাটো বৰ জটিল। আমি সকলোৱে সমান সুযোগ-সুবিধা বিচাৰো। যদি আমি কোনো ধৰণৰ অক্ষমতাত ভোগো, তেতিয়া আমি কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন অনুভৱ কৰো। সমতাৰ অধিকাৰেই যথেষ্ট নহয়, যদিহে আমি প্ৰাথমিক প্ৰয়োজনখিনি লাভ কৰিবলৈ সমৰ্থ নহওঁ। সম্পদৰ ন্যায়সংগত আৰু সমবিতৰণৰ দৰে কিছুমান শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰি সকলোৱে যাতে শিক্ষা লাভ কৰিবলৈ সমৰ্থ হয়, সেইটো নিশ্চিত কৰিব লাগিব। যেনে- কৰ্মসংস্থান, উপযুক্ত মজুৰি, ৰেহাই-মূল্যত চিকিৎসা সেৱা ইত্যাদি। প্ৰয়োজন হ'লে কিছুমান দায়িত্বশীল সংস্থা গঠন কৰি সমাজত ন্যায় নিশ্চিত কৰিব লাগিব।

# ৰাজনৈতিক তত্ত্ব

*তলৰ উক্তিবোৰ পঢ়া আৰু চক্ৰেটিছে কিদৰে যুক্তি প্ৰয়োগ কৰিছিল লক্ষ্য কৰা ঃ*

কেফালুচ, আপুনি সুন্দৰ কথা কৈছে। কিন্তু আপুনি যি ন্যায়ৰ কথা উল্লেখ কৰিলে, সেইটোনো কি? সত্যনিষ্ঠাৰ কমো নোহোৱা, বেছিও নোহোৱা আৰু এজনে আন এজনক দিব লগা ঋণ পৰিশোধ কৰাটোকে ন্যায়ৰ সংজ্ঞা বুলি ক'ব পাৰি নেকি?

আনকি, এনেধৰণৰ কাৰ্যবোৰ কেতিয়াবা ন্যায় আৰু কেতিয়াবা অন্যায় হ'ব পাৰে নেকি? উদাহৰণস্বৰূপে, এজন বন্ধুৱে সজ্ঞানে মোৰ হাতত অস্ত্ৰ জমা দিলে আৰু যদি তেওঁ সজ্ঞান নথকা অৱস্থাত অস্ত্ৰ ওভতাই ল'ব বিচাৰে, তেন্তে সেই অস্ত্ৰ তেওঁক ওভতাই দিয়া উচিত হ'বনে?

তুমি ঠিকেই কৈছা— তেওঁ উত্তৰ দিলে।

তেন্তে সঁচা কথা কোৱা আৰু ঋণ পৰিশোধ কৰাকে ন্যায়ৰ শুদ্ধ সংজ্ঞা বুলি ক'ব নোৱাৰিনে?

আমি প্ৰথমে এইদৰেই কৈছিলো যে ন্যায় মানে বন্ধুক উপকাৰ আৰু শত্ৰুৰ অনিষ্ট কৰা। কিন্তু,

প্ৰকৃততে সমতাৰ অৰ্থ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ নিজৰ ক্ষেত্ৰত সমতাৰ অৰ্থ কি আলোচনা কৰাৰ উপৰি আনৰ বাবে (দুখীয়া, জেষ্ঠ্য নাগৰিক, শাৰীৰিক আৰু মানসিকভাৱে অক্ষম ইত্যাদি) সমতাৰ অৰ্থ আৰু তাৎপৰ্য বিশ্লেষণ কৰিলো। আমি বহুতৰ পৰা অৰ্থ উদ্‌ঘাটন কৰিলো। অৰ্থাৎ আমি গম নোপোৱাকৈয়ে ৰাজনৈতিক তত্ত্বৰ অনুশীলন কৰি আছো।

ৰাজনৈতিক তত্ত্ববিদসকলে ৰাজনৈতিক ধাৰণাৰ অৰ্থৰ ব্যাখ্যা আগবঢ়ায়। সাধাৰণ ভাষাত ৰাজনৈতিক ধাৰণা কিদৰে ব্যৱহাৰ হয়। সেইটো ৰাজনৈতিক তত্ত্বই স্পষ্ট কৰি দিয়ে। ফলত আমি ৰাজনৈতিক ধাৰণাৰ সম্যক জ্ঞান লাভ কৰিব পাৰো। ৰাজনৈতিক তত্ত্ববিদসকলে ৰাজনৈতিক ধাৰণাৰ বিভিন্ন অৰ্থ আৰু মতামতবোৰ প্ৰণালীবদ্ধভাৱে পৰীক্ষা কৰে। কেতিয়া সমান সুযোগৰ অধিকাৰ পৰ্যাপ্ত বুলি পৰিগণিত হয়? কোনবোৰ পৰিস্থিতিত মানুহক বিশেষ সুবিধাৰ প্ৰয়োজন হয়? কি পৰিমাণত আৰু কিমান দিনলৈ এই বিশেষ সুবিধা দিয়া উচিত? দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে

ইয়াৰ পৰিৱৰ্তে আমি আৰু এষাৰ কথা যোগ দি ক'ব লাগিব যে বন্ধুক উপকাৰ কৰাটো ন্যায্য হ'ব যদিহে আমাৰ বন্ধুজন সুপুৰুষ হয়; সেইদৰে তেওঁ যদি কুপুৰুষ হয়, তেন্তে তেওঁক অনিষ্ট কৰাটো ন্যায্য হ'ব।

হয়, মই ভাবো এইটোহে শুদ্ধ কথা হ'ব। কিন্তু লোকৰ অনিষ্ট কৰাটো জানো ন্যায়সংগত হ'ব? যিবিলাক দুষ্ট আৰু তেওঁৰ শত্ৰুও, সেইবিলাকৰ অনিষ্ট কৰাটো নিঃসন্দেহে তেওঁৰ কৰ্তব্যৰ ভিতৰত পৰিব।

বাৰু, যেতিয়া ঘোঁৰাক অনিষ্ট কৰিব, সি আগতকৈ উৎকৃষ্ট হ'ব নে নিকৃষ্ট হ'ব?

নিকৃষ্ট হ'ব।

কুকুৰৰ উৎকৃষ্টতাৰ তুলনাত নিকৃষ্ট হ'ব নে, ঘোঁৰাৰ নিজৰ উৎকৃষ্টতাৰ তুলনাত?

ঘোঁৰাৰ নিজৰ উৎকৃষ্টতাৰ তুলনাত?

স্কুলত দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰাটো উচিত নে? ৰাজনৈতিক তত্ত্ববিদসকলে এনেধৰণৰ কিছুমান প্ৰশ্নৰ সমিধান দিবলৈ প্ৰয়াস কৰে। এই প্ৰশ্নসমূহ অত্যন্ত বাস্তৱ সমস্যাৰ সৈতে জড়িত। সেইবাবে ৰাজনৈতিক তত্ত্ববিদসকলে শিক্ষা আৰু সংস্থানৰ আঁচনি প্ৰস্তুত কৰিবলৈ কিছুমান নিৰ্দেশনা আগবঢ়ায়।

ৰাজনৈতিক তত্ত্ববিদসকলে সমতাৰ লগতে আন আন ৰাজনৈতিক ধাৰণাবোৰৰ অৰ্থ আৰু মতামত বিশ্লেষণ কৰি কিছুমান সম্ভাব্য নীতি বা আঁচনি যুগুত কৰে। পৰৱৰ্তী অধ্যায়বোৰত আমি স্বাধীনতা, অধিকাৰ, উন্নয়ন, ন্যায়, সমতা, জাতীয়তাবাদ আৰু ধৰ্মনিৰপেক্ষতা আদি ৰাজনৈতিক ধাৰণাসমূহ আলোচনা কৰিম।

### 1.4 ৰাজনৈতিক তত্ত্ব কিয় অধ্যয়ন কৰা উচিত? (Why should we Study Political Theory)

আমি ৰাজনৈতিক তত্ত্ব অধ্যয়ন কৰাৰ প্ৰয়োজন আছেনে? যিসকলে ৰাজনীতি কৰে, অৰ্থাৎ ৰাজনীতিবিদসকলৰ বাবেহে ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন অধিক উপযোগী

সম্ভৱ নহয়।

তেন্তে ন্যায়পৰায়ণজনে ন্যায়েৰে আন এজনক অন্যায়পৰায়ণ কৰিব পাৰেনে? সংক্ষেপে সৎপুৰুষে সাধুতাৰে মানুহক অসাধু কৰিব পাৰে নেকি?

নিশ্চয়কৈ নোৱাৰে।

অথবা, সৎপুৰুষে আনৰ অনিষ্ট কৰিব পাৰেনে?

অসম্ভৱ।

বাৰু, ন্যায়পৰায়ণ পুৰুষজন জানো সুপুৰুষ হ'ব?

নিশ্চয় হ'ব।

তেন্তে এজন বন্ধু বা যিকোনো প্ৰাণীৰেই অনিষ্ট কৰাটো ন্যায়পৰায়ণজনৰ ধৰ্ম নহয়, তেওঁৰ বিপৰীতে অন্যায়পৰায়ণহে?

সেইবোৰৰ প্ৰাথমিক জ্ঞান অৰ্জন কৰাটো দৰকাৰ। বৰ্তমানৰ তথ্যসমৃদ্ধ পৃথিৱীত আমি যুক্তিশীল আৰু তথ্য জনাটো অতি গুৰুত্বপূৰ্ণ। তেতিয়াহে আমি সফলভাৱে পঞ্চায়তত অংশগ্ৰহণ কৰিব পাৰিম আৰু নিৰ্বাচনত আমাৰ মতামত দাঙি ধৰিব পাৰিম জধে-মধে কিছুমান যুক্তিহীন মতামত দাঙি ধৰিলে সেইবোৰ ফলপ্ৰসূ নহ'ব। কিন্তু আমি যদি চিন্তাশীল আৰু পৰিপক্ক হওঁ, তেতিয়া গণসংযোগৰ নতুন মাধ্যমবোৰৰ উপযুক্ত ব্যৱহাৰ কৰি আমাৰ উমেহতীয়া স্বাৰ্থযুক্ত বিষয় আৰু সমস্যাৰ প্ৰকাশ আৰু আলোচনা কৰিব পাৰিম।

নাগৰিক হিচাপে কিছুপৰিমাণে আমি এটা সংগীত অনুষ্ঠানৰ দৰ্শকৰ নিচিনা। আমি গান আৰু সুৰৰ ব্যাখ্যা কৰাত মুখ্য ভূমিকা নলওঁ। কিন্তু আমি কাৰ্যসূচী প্ৰস্তুত কৰো আৰু ফলাফল প্ৰশংসা কৰি নতুন নতুন অনুৰোধ কৰো। যেতিয়া দৰ্শক জ্ঞানী আৰু প্ৰশংসাপূৰ্ণ হয়, তেতিয়া সংগীতজ্ঞসকলে অধিক ভাল প্ৰদৰ্শন কৰিব পাৰে। তোমালোকে বাৰু কথাটো লক্ষ্য কৰিছানে? সেইদৰে এজন শিক্ষিত আৰু জাগ্ৰত

এই একেটা সূত্ৰতে ক'ব নোৱাৰিমনে যে মানুহ এজনৰ অনিষ্ট কৰিলে তেওঁৰ মানৱীয় উৎকৃষ্টতাৰ অৱনতি হ'ব।

নিশ্চয় পাৰিম।

বাৰু, ন্যায় মানে হ'ল মানৱীয় উৎকৃষ্টতা?

নিশ্চয় হ'ব লাগে।

তেন্তে যিসকল মানুহৰ অনিষ্ট কৰা হয়, তেওঁলোকৰ ন্যায্যতা হ্রাস কৰা নহ'বনে?

সেয়াই হ'ব।

কিন্তু বাদ্যকৰে সংগীত কলাৰে মানুহক অসংগীতজ্ঞ কৰিব পাৰেনে?

নিশ্চয় নোৱাৰে।

নাইবা অশ্বাৰোহীয়ে অশ্বাৰোহণ কলাৰে মানুহক নিকৃষ্ট ঘোঁৰাচালক কৰিব পাৰেনে?

---

নহয়নে? অথবা চৰকাৰী আমোলাসকলৰ বাবে যিয়ে আঁচনি প্ৰস্তুত কৰে? অথবা যিসকলে ৰাজনৈতিক তত্ত্ব শিকায়? অথবা সংবিধান আৰু আইনৰ ব্যাখ্যা আগবঢ়োৱা অধিবক্তা আৰু ন্যায়াধীশসকলৰ বাবে? অথবা সমাজকৰ্মী আৰু সাংবাদিকসকলে যিয়ে শোষণৰ ঘটনা পোহৰলৈ আনে আৰু নতুন নতুন অধিকাৰ দাবী কৰে? স্বাধীনতা আৰু সমতাৰ অৰ্থ জানি আমাৰ কি উপকাৰ হ'ব?

প্ৰথমতে, ওপৰত উল্লেখিত বৃত্তি গ্ৰহণ কৰা সকলোৰে বাবে ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা আছে। আমি ভৱিষ্যতে এনে বৃত্তিসমূহৰ এটা নিৰ্বাচন কৰিব পাৰো। সেইবাবে পৰোক্ষভাৱে আমাৰ বাবে ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিতকা আছে। যদিও আমি সকলোৱে গণিতজ্ঞ বা অভিযন্তা নহওঁ তথাপি গণিত নিশিকোনে? পাটিগণিতৰ প্ৰাথমিক জ্ঞান সকলোৰে জীৱনৰ দৰকাৰী, এই কাৰণে নহয়নে?

দ্বিতীয়তে, আমি সকলোৱে ভোটাধিকাৰপ্ৰাপ্ত নাগৰিক হ'ম আৰু সমাজৰ বিভিন্ন বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিম। দায়িত্বশীল নাগৰিক হিচাপে কাৰ্যপালন কৰিবলৈ হ'লে যিবোৰ ৰাজনৈতিক আদৰ্শ আৰু অনুষ্ঠানৰ দ্বাৰা সমাজখন গঢ়ি উঠিছে,

চক্রেটিছ, মই ভাবো তোমাৰ কথাযাৰ একেবাৰে শুদ্ধ।

বাৰু, এইটোও জানো সঁচা নহয় যে যিজনে বেমাৰ প্ৰতিৰোধ কৰিব পাৰে বা বেমাৰৰ আক্ৰমণৰ পৰা হাত সাৰিব পাৰে, তেৱেঁই লোকৰ গাত বেমাৰৰ উৎপত্তি কৰোৱাতো পাকৈত?

এইটো সঁচা।

গতিকে এইটো ক'ব পাৰিনে যে শত্ৰুপক্ষৰ আঁচনি আৰু অন্যান্য খবৰ চুৰ কৰাত নিপুণজনে সেনাবাহিনীক সুকলমে ৰক্ষণাবেক্ষণ দিব পাৰে?

নিশ্চয়।

অৰ্থাৎ যিজনে কোনো বস্তু নিপুণতাৰে ৰক্ষা কৰিব পাৰে, তেওঁ সেই বস্তু নিপুণতাৰে চুৰ কৰিবও পাৰে।

মই ভাবো, সেইটোহে হ'ব।

নাগৰিকে ৰাজনীতি কৰাসকলক অধিক জনমুখী কৰি তুলিব পাৰে।

তৃতীয়তে, আমাৰ জীৱনত স্বাধীনতা, সমতা আৰু ধৰ্মনিৰপেক্ষতা অবাস্তৱ ধাৰণা নহয়। পৰিয়াল, স্কুল-কলেজ, দোকান, বজাৰ, হাট ইত্যাদিত আমি প্ৰতিদিনে বৈষম্যমূলক আচৰণৰ সন্মুখীন হওঁ। যিসকল মানুহ আমাৰ পৰা বেলেগ বা পৃথক তেওঁলোকৰ প্ৰতি আমিও পক্ষপাতমূলক আচৰণ বা মনোভাব দেখুৱাওঁ। অৰ্থাৎ অন্যান্য জাতি, ধৰ্ম, লিংগ বা অন্যান্য শ্ৰেণীৰ মানুহৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰোঁ। যদি আমি নিৰ্যাতিত হোৱা বুলি ভাবো, আমি তাৰ প্ৰতিকাৰ কৰাটো বিচাৰো, আৰু যদি নিৰ্যাতন বন্ধ নহয় অথবা বন্ধ হোৱাত পলম হয়, তেতিয়া আমি তীব্ৰ বিপ্লৱৰ ন্যায্যতা থকা বুলি ভাবো। যদি, আমি কিছুমান বিশেষ সুবিধা উপভোগ কৰোঁ, তেতিয়া আমি নিৰ্যাতনৰ কথা অস্বীকাৰ কৰো। অথচ, আমাৰ বন কৰা ছোৱালী আৰু চাকৰবোৰে মানৱীয় মৰ্যাদা পাবলৈ সংগ্ৰাম কৰিব লগা হৈছে। কেতিয়াবা আনকি তেওঁলোকক যিধৰণে ব্যৱহাৰ কৰা হয়, সেয়া তেওঁলোকৰ বাবে প্ৰাপ্য বুলি ভাবো। ৰাজনৈতিক

Daily Assam

গতিকে, ন্যায়পৰায়ণজন যদিহে ধন ৰক্ষাত নিপুণ হয়, তেন্তে ধন চুৰ কৰাতো নিপুণ হ'ব।

যুক্তিৰ ফালৰ পৰা সেইটোৱেই হ'ব।

তেন্তে সকলো ফালৰ পৰা দেখা যায় যে ন্যায়পৰায়ণজন একপ্ৰকাৰ চোৰহে।

তুমি এইদৰে যুক্তি দিব বিচাৰিছা যে সুপুৰুষজনেই হ'ব বন্ধু আৰু দুষ্টজনেই হ'ব শত্ৰু।

হয়।

তেন্তে, কোনোবাই যদি কয় যে যাৰ যি প্ৰাপ্য, তাক আদায় দিয়াটোৱেই ন্যায়, আৰু যদি ইয়াৰ অৰ্থ এইটোৱেই হয় যে ন্যায়পৰায়ণজনে শত্ৰুক অনিষ্ট কৰিব আৰু মিত্ৰক উপকাৰ কৰিব লাগে, তেন্তে এই উক্তি অজ্ঞানীৰ উক্তিহে হ'ব। কাৰণ এই কথা শুদ্ধ হ'বই নোৱাৰে। এইটো স্পষ্ট হৈ পৰিছেযে কাৰোবাক অনিষ্ট কৰাটো কোনোপধ্যে ন্যায়সংগত হ'ব নোৱাৰে।

মই তোমাৰ সৈতে একমত।— পলেমাৰ্কুছে ক'লে।

বিষয়বোৰৰ প্ৰতি আমাৰ ধাৰণা আৰু মনোভাব পৰীক্ষা কৰি চাবলৈ ৰাজনৈতিক তত্ত্বই আমাক অনুপ্ৰেৰণা দিয়ে। ৰাজনৈতিক বিষয়বোৰ মনোযোগেৰে পৰ্যালোচনা কৰি চোৱাৰ পিছত আমাৰ ধাৰণা আৰু মনোভাব উদাৰ হৈ পৰে।

শেষত, ছাত্ৰ হিচাপে আমি তৰ্ক আৰু আবৃতি প্ৰতিযোগিতা উপভোগ কৰোঁ। শুদ্ধ বা অশুদ্ধ, ন্যায় বা অন্যায় সম্পৰ্কে আমি মতামত প্ৰকাশ কৰো। কিন্তু সেইবোৰ যুক্তিসংগত হয় নে নহয় আমি নাজানো। যেতিয়া আনৰ সৈতে তৰ্ক কৰো, তেতিয়াহে আমাৰ মতামতৰ সমৰ্থনত যুক্তি আগবঢ়োৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰো। ৰাজনৈতিক তত্ত্বই ন্যায় অথবা সমতা ইত্যাদি ধাৰণাবোৰৰ বিষয়ে প্ৰণালীবদ্ধভাৱে চিন্তা কৰিবলৈ শিকায়। ফলত, উমেহতীয়া স্বাৰ্থ সিদ্ধিৰ প্ৰয়োজনত আমি শুদ্ধভাৱে মতামত দাঙি ধৰি তথ্যপূৰ্ণ যুক্তি আগবঢ়াবলৈ সক্ষম হওঁ। আধুনিক তথ্যসমৃদ্ধ বিশ্ব ব্যৱস্থাত যুক্তিসংগত তৰ্ক অথবা আলোচনা আৰু ফলপ্ৰসূভাৱে মত বিনিময় কৰিব পৰা কৌশল এক মূল্যৱান সম্পদ হিচাপে পৰিগণিত হৈছে।

# অনুশীলনী

1. ৰাজনৈতিক তত্ত্ব সম্পৰ্কে তলৰ কোনবোৰ উক্তি শুদ্ধ বা অশুদ্ধ?
   (a) ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক অনুষ্ঠানৰ ভিত্তি গঢ় দিয়া আদৰ্শৰ বিষয়ে আলোচনা কৰে।
   (b) ৰাজনৈতিক তত্ত্বই বিভিন্ন ধৰ্মৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰে।
   (c) ৰাজনৈতিক তত্ত্বই সমতা আৰু স্বাধীনতাৰ নিচিনা অৱধাৰণাসমূহৰ অৰ্থ ব্যাখ্যা কৰে।
   (d) ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক দলৰ সাফল্যৰ ভৱিষ্যদ্বাণী কৰে।

2. ৰাজনীতিৰ পৰিসৰ ৰাজনীতিবিদসকলৰ কাৰ্যতকৈ বহুত বেছি।— "এই উক্তিটো তুমি সমৰ্থন কৰানে?" উদাহৰণ দিয়া।

3. "গণতন্ত্ৰৰ সাফল্যৰ বাবে জাগ্ৰত নাগৰিকৰ প্ৰয়োজন"— মন্তব্য দিয়া।

4. ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন আমাৰ বাবে কি ধৰণে উপকাৰী? ৰাজনৈতিক তত্ত্বৰ চাৰিটা উপকাৰিতা চিনাক্ত কৰা।

5. এটা ভাল/পতিয়নযোগ্য যুক্তিয়ে আনক তোমাৰ কথা শুনিবলৈ বাধ্য কৰিব পাৰে বুলি ভাবানে?

6. ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন গণিত অধ্যয়নৰ নিচিনা বুলি তুমি ভাবানে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি দিয়া।



Daily Assam